RNI Regn. No- ASSASS/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ ▢ মুঠ পৃষ্ঠা ১২

...৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ১৬৪ বৃহস্পতিবাৰ ১৬ ব'হাগ ১৯৪৮ শক ৩০ এপ্ৰিল ২০২৬ চন ASOMIYA KHABAR JORHAT THURSDA...

## কানৈ মহাবিদ্যালয়ত সংগীতমৰ বাৰ্ষিক মুখপত্ৰ 'সংগীতম বাৰ্তা' উন্মোচন

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ এপ্ৰিল ঃ ডিব্ৰুগড়ৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান সঙ্গীতমৰ এক কাৰ্যসূচী ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত ২৬ এপ্ৰিলত অনুষ্ঠিত হয়। সঙ্গীতমৰ সম্পাদক ড° মিনাক্ষী সেন শৰ্মাই আঁতধৰা অনুষ্ঠানৰ লগত সংগতি ৰাখি সঙ্গীতমৰ বাৰ্ষিক মুখপত্ৰ 'সঙ্গীতম বাৰ্তা' উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাধ্যাপক ড° নাছমিম ফাঁৰহান আখতাৰে। বাৰ্ষিক মুখপত্ৰ উন্মোচন কৰি ড° আখতাৰে কয়— সঙ্গীতমৰ এনে প্ৰচেষ্টা সঁচাই প্ৰশংসনীয়। সঙ্গীতমে সমাজ-সংস্কৃতিৰ বাবে কৰি অহা কামবোৰে সমাজক এক নতুন পথ দেখুৱাবলৈ সক্ষম হৈছে। তেওঁ সঙ্গীতমে এনে এখন সৰ্বাংগ সুন্দৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰি উলিওৱাৰ বাবে মুখপত্ৰ সম্পাদনা সমিতিৰ লগতে সঙ্গীতমৰ সমূহ বিষয়ববীয়াক ভূয়সী প্ৰশংসা কৰে। সঙ্গীতমে বিভিন্ন সময়ত কৰি অহা সামাজিক-সাংস্কৃতিক কৰ্মসমূহৰ বাবে তেওঁ সকলোকে অভিনন্দন জ্ঞাপন কৰে। সঙ্গীতম বাৰ্তাৰ সম্পাদক ডাঃ নৱনীতা বৰ্মণে মনৰ ভাব ব্যক্ত কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, লেখক-সাহিত্যিক তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই অসমীয়া ভাষাত বাৰ পৃষ্ঠাৰ ৰঙীণ ফটোসহ প্ৰকাশ কৰি উলিওৱা 'সঙ্গীতম বাৰ্তা'খনৰ ভূয়সী প্ৰশংসা কৰি কয়— অসমীয়া ভাষাত প্ৰকাশ কৰা এই সঙ্গীতম বাৰ্তা মাথোঁ সঙ্গীতমৰ কাম কাজৰ খতিয়ান দাঙি ধৰা দলিল নহয়, ই অসমীয়া সমাজৰ এক সম্পদ। ইয়াক পুথি ভঁড়ালত সংৰক্ষণ কৰি ৰাখিলে বিশ্বায়নৰ যুগত অসমীয়া বহু কথা হেৰাই গ'লেও এই মুখপত্ৰখনে এই সময়ছোৱাক ধৰি ৰাখিব। অধ্যক্ষগৰাকীয়ে কয়— ভাল কাম কৰিবলৈ মন থাকিলে মুষ্টিমেয় মানুহেও এই কাম কৰিব পাৰে। এনে ক্ষেত্ৰত মানুহৰ মনটো আৰু সামাজিক কাম কৰাৰ ইচ্ছাটোৱে প্ৰধান সম্বল। তেওঁ এনে ভাল কাম-কাজৰ বাবে সদায় সহায়-সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। উন্মোচনী অনুষ্ঠানত সঙ্গীতমৰ সভাপতি মিনাক্ষী বৰুৱা, সম্পাদক ড° মিনাক্ষী সেন শৰ্মা, সঙ্গীতম বাৰ্তাৰ সম্পাদক ডাঃ নৱনীতা বৰ্মণ, সহ-সম্পাদক ড° মৰমী তালুকদাৰৰ লগতে সঙ্গীতমৰ সমূহ বিষয়ববীয়া তথা সদস্যসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত সঙ্গীতমৰ সম্পাদক ড° মিনাক্ষী সেন শৰ্মাই শলাগ জ্ঞাপন কৰে।

## বাৰম্বাৰ নিৰ্দেশনা উলংঘন ঃ ক্ষুণ্ণ গুৱাহাটী উচ্চ ন্যায়ালয়